**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১।	আজি ব'হাগৰ পহিলা দিন। পৰম্পৰাগতভাৱে আজি ৰাজ্যজুৰি মানুহ বিহু পালন।

২।	লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি শোণিতপুৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ। সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইত প্ৰচাৰ অব্যাহত।

৩।	ভাৰতীয় সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ ১৩৪ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ দেশবাসীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

**আৰু**

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ কলকাতা, নাইট ৰাইডাৰ্ছৰ মুখামুখি।

ooooo

আজি ব'হাগৰ পহিলা দিন। পৰম্পৰাগতভাৱে আজি ৰাজ্যজুৰি মানুহ বিহু পালন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস ল'ব। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে। তিনিচুকীয়াৰ চলিহানগৰ খেলপথাৰত আছুৰ উদ্যোগত মুকলি বিহুৰ আয়োজন কৰা হৈছে। মুকলি বিহুত মৰাণ, মটক, আহোম, চুতীয়া, নেপালী, সোণোৱাল কছাৰী, চাহ জনগোষ্ঠীৰ প্ৰতিনিধিয়ে নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰিব। আছুৰ উদ্যোগতে কালি গুৱাহাটী জজ খেলপথাৰতো বিগত বৰ্ষৰ দৰে মুকলি বিহুৰ আয়োজন কৰা হয়। পুৱা বিশিষ্ট সংগীতজ্ঞ প্ৰশান্ত বৰদলৈয়ে বিহুৰ পতাকা উত্তোলেনৰ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে অসমৰ সমাজ জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়েও কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে। উদ্যোক্তাসকলে জনোৱা অনুসৰি ৰঙালী বিহু অনুষ্ঠানত আজি সাংস্কৃতিক শোভাযাত্ৰা, বিহু পতাকা উত্তোলন, দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়।

কামৰূপ জিলাতো বিগত বছৰৰ দৰে পৰম্পৰা ৰক্ষা কৰি ৰঙালী বিহুৰ আয়োজন কৰা হৈছে। ৰঙিয়া মহকুমা ৰঙালী বিহু সন্মিলনীয়ে অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি বিহু, জ্যেষ্ঠজনক সেৱা আৰু কণিষ্ঠজনক আশীৰ্বাদ প্ৰদান, জেং বিহু আদিৰ আয়োজন কৰিছে। পূব ৰঙিয়া প্ৰগতি সংঘতো বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। সমষ্টিটোৰ বিধায়ক ভবেশ কলিতাই ৰঙালীৰ বিহুৰ পতাকা উত্তোলন কৰে। ইপিনে অসমীয়া

নতুন বছৰৰ প্ৰথম দিন উপলক্ষে আজি বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত সিদ্ধিদাতা গণেশ পূজাৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি ডেকা-বুঢ়া সকলোৱে মিলি হুঁচৰি গোৱা পৰম্পৰা ৰক্ষা কৰা দেখা গৈছে। বিভিন্ন অঞ্চলত বিহু উপলক্ষে পৰম্পৰাগত খেল-ধেমালি, বিহুনাচ, ঢোলবাদন, পেঁপাবাদন, পিঠা-পনা প্ৰস্তুত কৰা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে সমৰ্থন বিচাৰি জনসাধাৰণৰ কাষ চাপিছে। ভিন ভিন দলৰ তাৰকা প্ৰচাৰক সকলে দেশৰ বিভিন্ন স্থানত নিৰ্বাচনী সমাবেশ আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত ১৭খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২টা সংসদীয় সমষ্টিৰ সমান্তৰালভাৱে ছিকিমৰ ৩২খন আৰু অৰুণাচল প্ৰদেশৰ ৬০ খন বিধানসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। নাগালেণ্ডৰ ছুমুকেডিমাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কালি কয় যে, প্ৰধানমন্ত্ৰীয়ে ৰাজনীতিৰ সংস্কৃতি, সংজ্ঞা, শৈলী আৰু দৃষ্টিভংগী সলনি কৰি ৰাজনীতিত বিপ্লৱৰ সূচনা কৰিছে। বিজেপিৰ সভাপতিগৰাকীয়ে ভাষণ প্ৰসংগত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন আৰু অঞ্চলটোক মূল সুঁতিত চামিল কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলোৱা প্ৰচেষ্টাত আলোকপাত কৰে।

শ্ৰীনাড্ডাই লগতে দুৰ্নীতিত লিপ্ত হোৱা আৰু উত্তৰ পূৰ্বাঞ্চলত উন্নয়নৰ বিষয়টো আওকান কৰাৰ বাবে বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰে। শ্ৰীনাড্ডাই কয় যে, কংগ্ৰেছৰ শাসনকালত উত্তৰ পূৰ্বাঞ্চলৰ বাবে অৱহেলাৰ নীতি অনুসৰণ কৰা হৈছিল যদিও বৰ্তমান উন্নয়নৰ নীতি গ্ৰহণ কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ দৃষ্টিভংগীত আলোকপাত কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কয় যে, মোদীৰ দৃষ্টিভংগী অকল এক্ট ইষ্টতে সীমাবদ্ধ হৈ থকা নাই বৰং তেওঁ অঞ্চলটোক দক্ষিণ এছিয়া আৰু পূব এছিয়াৰ দ্বাৰমুখ হিচাপে গঢ়ি তোলাৰ বাবে অহৰহ চেষ্টা চলাই আছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ কাইলৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰৰ উদ্দেশ্যে মণিপুৰলৈ আহিব। মন্ত্ৰীগৰাকীয়ে ইম্ফলত এখন জনসভাত অংশ ল'ব। শ্ৰীশ্বাহে ইনাৰ মণিপুৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলোৱাৰ পাছত ইম্ফলত বিজেপিৰ দলৰ নতুন কাৰ্যালয়ৰ উদ্বোধন কৰিব বুলি জানিব পৰা গৈছে।

অসমতো নিৰ্বাচনী প্ৰচাৰ অভিযানে তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি তিনিচুকীয়া জিলাত লখিমপুৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ অন্তৰ্গত কাকপথাৰ ৰাজহুৱা খেলপথাৰত নিৰ্বাচনী সভাত অংশ লয়। ড° শৰ্মাই বিহপুৰীয়াত দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ বিজয় সংকল্প সমাবেশত অংশ লয়। অসমক সৰ্বাত্মক বিকাশৰ দিশত আগবঢ়াই লৈ গৈ দেশৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰোৱাৰ বাবে জনসাধাৰণে পুনৰবাৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থীক জয়ী কৰিব বুলি মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি শোণিতপুৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ সমৰ্থিত ৰঞ্জিত দত্তৰ হৈ প্ৰচাৰ চলাব। তেওঁ আজি গৰুবন্ধাত এখন জনসভাত অংশগ্ৰহণ কৰিব। আনহাতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় আৰু দুলীয়াজানত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। কালি শ্ৰীসোণোৱালে ডিব্ৰুগড় সমষ্টিত বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ তিনিচুকীয়াত প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী

লুৰিণজ্যোতি গগৈকো কালি ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত প্ৰচাৰ অভিযানত অংশ লোৱা দেখা যায়। সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তথা কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈয়ে কালি শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ৰাজ্যখনৰ বিভিন্ন ঠাইত কালি তিনিটা পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে এ আই ইউ ডি এফ, তৃণমূল কংগ্ৰেছ, আম আদমী পাৰ্টীকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহেও প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে।

ইপিনে, অহা ১৭ এপ্ৰিলত নলবাৰীত হ'বলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচাৰ সভাৰ প্ৰস্তুতিৰ অংশ হিচাপে কালি বৰপেটাত বিজেপি আৰু অসম গণ পৰিষদৰ এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। বৰপেটা আৰু দৰং-ওদালগুৰি সমষ্টি সামৰি প্ৰধানমন্ত্ৰীৰ এই সভাৰ আয়োজন কৰা হৈছে।

০০০০০

লোকসভা নিৰ্বাচন উপলক্ষে ৰাজ্য চৰকাৰে ভোটগ্ৰহণৰ দিনকেইটাত বেতনসহ ছুটী ঘোষণা কৰিছে। অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগে জাৰি কৰা অধিসূচনা অনুযায়ী অসমত ৩টা পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ১৯ এপ্ৰিল, ২৬ এপ্ৰিল আৰু ৭ মে' দিনকেইটাত সকলো কাৰখানা, চাহ বাগিচা, দোকান তথা বাণিজ্যিক প্ৰতিষ্ঠান, ৰাজহুৱা আমোদ প্ৰমোদ বা বিনোদন প্ৰতিষ্ঠানকে ধৰি সকলো উদ্যোগ, কৰ্মশালা, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বেংক তথা অন্যান্য বিত্তীয় প্ৰতিষ্ঠানসমূহৰ কৰ্মচাৰীসকলৰ কাৰণে বেতনসহ ছুটী ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে জনপ্ৰতিনিধিত্ব আইনৰ ১৩৫ নম্বৰ ধাৰা অনুযায়ী ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ ক্ষেত্ৰত সমষ্টিটোৰ বাহিৰত কৰ্মৰত কৰ্মচাৰীসকলৰ বাবেহে এই নিৰ্দেশনা প্ৰযোজ্য হব। একে ধাৰা অনুযায়ী অসমৰ সীমামূৰীয়া জিলাত বাস কৰা চুবুৰীয়া ৰাজ্যৰ ভোটাৰসকলেও নিজৰ সমষ্টিত ভোটগ্ৰহণৰ বাবে বেতনসহ ছুটীৰ সুবিধা লাভ কৰিব। পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হ'লেও নিৰ্বাচন অনুষ্ঠিত হোৱাৰ দিনা কৰ্মচাৰীসকলৰ ক্ষেত্ৰত নিৰ্দেশনা প্ৰযোজ্য হ'ব।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ অহা ১৯ এপ্ৰিলত হ'বলগীয়া ভোটগ্ৰহণত ব্যাপক হাৰত ৰাইজৰ অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত অনুভাষ যন্ত্ৰৰ দ্বাৰা ভোটাৰ ৰাইজৰ মাজত সজাগতা অভিযান অব্যাহত আছে। সেই উদ্দেশ্যে ডিব্ৰুগড় জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচনী বিভাগৰ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা তথা ভোটগ্ৰহণত অংশগ্ৰহণ কোষৰ উদ্যোগত জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ তৎপৰতাত বিগত নিৰ্বাচনত জিলাখনত ৭৫ শতাংশতকৈ কম ভোটদান হোৱা অঞ্চলসমূহৰ ভোটাৰ ৰাইজৰ সজাগতাৰ বাবে নিৰন্তৰ চেষ্টা চলাই গৈছে।

ইফালে ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুবিধা আৰু ভোটদান সূচল কৰাৰ লক্ষ্যৰে তিনিচুকীয়া জিলা প্ৰশাসনো তৎপৰ হৈ পৰিছে। জিলাখনৰ অন্তৰ্গত ভোটগ্ৰহণ কেন্দ্ৰসমূহ জিলা প্ৰশাসনৰ বিষয়াসকলৰ দ্বাৰা পৰ্যৱেক্ষণ কৰি থকা হৈছে। তদুপৰি ভোটগ্ৰহণৰ সময়ছোৱাত ভোটগ্ৰহণ কেন্দ্ৰসমূহত যাতে কোনোধৰণৰ বাধাৰ সৃষ্টি নহয় সেই বিষয়ে নিশ্চিত হ'বলৈ জিলা আয়ুক্ত স্বপ্নীল পালে বিভিন্ন ভোট গ্ৰহণ কেন্দ্ৰ পৰ্যবেক্ষণ কৰিছে।

০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতীয় সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ ১৩৪ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এই উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তত ভালেমান অনুষ্ঠানৰ

আয়োজন কৰা হৈছে। আম্বেদকাৰৰ জয়ন্তী উপলক্ষে সংসদভৱনৰ প্ৰাংগণত মূল অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত নেতাগৰাকীৰ মূৰ্তিত পুষ্পাৰ্ঘ্য নিবেদন কৰা হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ড০ বি আৰ আম্বেদকাৰৰ জন্ম বাৰ্ষিকী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুই তেওঁৰ বাৰ্তাত কয় যে, সামাজিক পৰিৱৰ্তনৰ হোতা আৰু বহুমুখী ব্যক্তিত্বৰ ধনী বাবাছাহেব আম্বেদকাৰে এগৰাকী ন্যায়বিদ, শিক্ষাবিদ, অৰ্থনীতিবিদ, সমাজ সংস্কাৰক আৰু ৰাজনৈতিক নেতা হিচাপে অভূতপূৰ্ব অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ কয় যে, সাংবিধানিক ব্যৱস্থাৰ প্ৰতি তেওঁৰ বিশ্বাস আজিও ভাৰতীয় গণতন্ত্ৰ আৰু সুশাসনৰ ভেটিৰূপে পৰিগণিত হৈ আছে। ড০ আম্বেদকাৰে সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠা কৰাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল আৰু গোটেই জীৱন ধৰি দলিত সকলৰ উন্নয়ন হকে সংঘৰ্ষ কৰিছিল বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে ড০ আম্বেদকাৰৰ আদৰ্শৰাজী গ্ৰহণ কৰি দেশৰ সৰ্বাত্মক উন্নয়নৰ বাবে সমূহীয়াভাৱে কাম কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নিজৰ বাৰ্তাত কয় যে, ভাৰতবৰ্ষৰ মহান সন্তান ড০ আম্বেদকাৰ অকল ভাৰতীয় সংবিধানৰ প্ৰণেতাই নাছিল বৰং সামাজিক ন্যায়ৰো সমৰ্থক আছিল। তেওঁ কয় যে, সামাজিক বৈষম্য আৰু অসমতা দূৰ কৰাৰ বাবে আম্বেদকাৰে চলোৱা অক্লান্ত প্ৰচেষ্টাই প্ৰজন্ম প্ৰজন্ম ধৰি জনসাধাৰণক অনুপ্ৰেৰণা যোগাই যাব। আম্বেদকাৰে আইনৰ শাসন, জনসাধাৰণৰ স্বতন্ত্ৰতা, লিংগ সমতা আৰু উপান্ত শ্ৰেণীসমূহৰ সবলীকৰণৰ প্ৰসাৰত সহায়ক হোৱা সাংবিধানিক পৰিকাঠামোৰ জৰিয়তে এখন সমতাবাদী ভাৰতবৰ্ষ গঢ়াৰ বাবে সামাজিক পৰিৱৰ্তনৰ নেতৃত্ব বহন কৰিছিল বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে ড০ আম্বেদকাৰৰ আদৰ্শৰাজী অনুসৰণ কৰিবলৈ আৰু নেতাগৰাকীৰ ন্যায় আৰু সমতাপূৰ্ণ সমাজৰ সপোন বাস্তৱায়িত কৰাৰ বাবে কাম কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে আজি দলৰ নিৰ্বাচনী ইস্তাহাৰ সংকল্প পত্ৰ মুকলি কৰিব। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত নতুন দিল্লীত থকা দলৰ কাৰ্যালয়ত এই সংকল্প পত্ৰ মুকলি কৰা হ'ব। এই অনুষ্ঠানত দলৰ অন্যান্য জ্যেষ্ঠ নেতাসকলো উপস্থিত থাকিব।

ooooo

দেশৰ নিৰ্বাচন আয়োগে নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ পৰিচালনাৰ বাবে জনসাধাৰণক নিৰ্বাচনী প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰোৱাৰ লক্ষ্যৰে এইবাৰ বিশেষভাৱে তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ কৰিছে। আয়োগে **চি ভিজিল, সুবিধা, সক্ষম ই চি আই আৰু এন জি এছ পি** এপৰ সহায়ত এই ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচন আয়োগৰ চি ভিজিল অৰ্থাৎ ভিজিলেণ্ট ছিটিজেন শীৰ্ষক এপ্লিকেচনৰ সহায়ত জনসাধাৰণে নিজৰ মোবাইলত সহজে নিৰ্বাচনী আচৰণ বিধি উলংঘা সম্পৰ্কীয় ঘটনাৰ তথ্য, দৃশ্য বা শ্ৰব্যৰূপতো আয়োগক প্ৰদান কৰিব পাৰে।

ইপিনে, নিৰ্বাচনী সভা আৰু প্ৰচাৰৰ বাবে অনুমতি বিচৰাত সহায় হোৱাকৈ **সুবিধা** নামৰ এপ মুকলি কৰা হৈছে। সক্ষম ই চি আই এপৰ সহায়ত বিশেষভাৱে সক্ষম ভোটদাতাসকলে ভোটদান কৰিবলৈ বিভিন্ন সেৱা লাভৰ বাবে এই এপ ব্যৱহাৰ কৰি আবেদন কৰিব পাৰে। নিৰ্বাচন সম্পৰ্কীয় নাইবা অন্য অভিযোগৰ বাবে নাগৰিকসকলে এন জি এছ পি এপ ব্যৱহাৰ কৰিব পাৰে।

০০০০০

বজালী জিলা প্ৰশাসনে সমাগত লোকসভা নিৰ্বাচনৰ বাবে জনসাধাৰণে নিৰ্বাচন সংক্ৰান্তীয় যিকোনো অভিযোগ দাখিলৰ বাবে এক শুল্ক বিহীন নম্বৰ মুকলি কৰিছে। বজালী জিলা আয়ুক্ত মৃদুল কুমাৰ দাসে প্ৰকাশ কৰিছে যে, যিকোনো লোকে নিৰ্বাচন সংক্ৰান্তীয় অনিয়মৰ অভিযোগ দাখিলৰ বাবে ০৩৬৬৬ ১৯৫০ নম্বৰ যোগে পোনপটীয়াকৈ যোগাযোগ কৰিব পাৰিব। জনসাধাৰণক এই সন্দৰ্ভত অনলাইন যোগে অভিযোগ দাখিল কৰিবলৈ চি ভিজিল এপ আৰু voters.eci.gov.in ব্যৱহাৰ কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে অনুৰোধ জনাইছে।

০০০০০

অসম সাহিত্য সভাই প্ৰতি বছৰৰ দৰে এই বেলিও অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটো **নিজৰ দিন** হিচাপে পালন কৰিব। সেই উপলক্ষে আজি অসম সাহিত্য সভাৰ গুৱাহাটী প্ৰশাসনিক কাৰ্যালয়ৰ উদ্যোগত আৰু বৃহত্তৰ বীৰকুছি সাহিত্য সভাৰ সহযোগত বীৰকুছিৰ এল টি হলী হোমত নিজৰ দিন পালন কৰিব। অসম সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই আজি পুৱা পতাকা উত্তোলন কৰি কাৰ্যসূচী মুকলি কৰিব। ইয়াৰ পাছতে বীৰকুছি সাহিত্য সভাৰ সভাপতি শশধৰ ডেকাই বিহুল পতাকা উত্তোলন আৰু উপসভাপতি শান্তনু কৌশিক বৰুৱাই স্মৃতি তৰ্পণ কৰিব। পুৱা ১১ বজাৰ পৰা বিহু হুঁচৰি, জেং বিহু, সত্ৰীয়া নৃত্য, ঢোল বাদন আৰু অন্যান্য গীত-মাত পৰিৱেশন কৰা হ'ব। ইয়াৰ পাছতে **নিজৰ দিন** উপলক্ষে সম্বৰ্ধনা অনুস্থান আৰু **বীৰকুছি দৰ্পণ** শীৰ্ষক মুখপত্ৰ উন্মোচন কৰা হ'ব।

০০০০০

অসমৰ আদিম ভূমিপুত্ৰ মৰাণসকলৰ পুৰোধা ব্যক্তি বীৰ ৰাঘৱ মৰাণৰ আজি ২৫৪ সংখ্যক তিৰোভাব তিথি। এই উপলক্ষে অসম মৰাণ সভাৰ উদ্যোগত আৰু আটাইকেইটা মৰাণ জনজাতীয় সংগঠনৰ সহযোগত তিনিচুকীয়াৰ ন-ধূলিজান ৰাজহুৱা নামঘৰত কেন্দ্ৰীয়ভাৱে স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বীৰগৰাকীৰ স্মৃতি ৰোমন্থন কৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

ভাৰতৰ ৰাধিকা আৰু শ্বিবানী পাৱাৰে কিৰ্গিস্তানৰ বিশকেকত অনুষ্ঠিত এছিয় মল্লযুদ্ধ প্ৰতিযোগিতাৰ কালি তৃতীয় দিনা মহিলাৰ ৬৮ আৰু ৫০ কিলোগ্ৰাম ওজন শাখাৰ ক্ৰমে ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰিছে। ৰাধিকাই ফাইনেলত বৰ্তমানৰ বিশ্ব চেম্পিয়ন জাপানৰ নোনোকা অ'জাকিৰ হাতত ১৫-২ ফলাফলত পৰাজিত হয়। শ্বিবানী পাৱাৰে কোৱাৰ্টাৰ ফাইনেলত চীনৰ জিকি ফেঙৰ হাতত ৪-০ ফলাফলত পৰাভূত হৈ ব্ৰঞ্জৰ পদকত সন্তুষ্ট থাকিবলগীয়া হয়। ভাৰতে প্ৰতিযোগিতাত বৰ্তমানলৈকে ৫টা পদক লাভ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতৰ উদিতে বৃহস্পতিবাৰে পুৰুষৰ ফ্ৰী ষ্টাইল শিতানত ৰূপৰ আৰু অভিমন্যু আৰু বিকিয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব।

ইফালে, ৰাজস্থান ৰয়েলছে যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছক ৩ উইকেটত পৰাস্ত কৰে। খেলখনত পাঞ্জাবে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৪৭ ৰান কৰে। ৰাজস্থানৰ হৈ কেশৱ মহাৰাজ আৰু অৱেশ খানে দুটাকৈ উইকেট দখল কৰে।

প্রত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অভাৰ আৰু ৫টা বলত ৭টা উইকেট হেৰুৱাই ১৫২ ৰান কৰে। পাঞ্জাব কিংছৰ হৈ কিগাছ' ৰ'বাডা আৰু ছেম কুৰেনে দুটাকৈ উইকেট লাভ কৰে।

ooooo

সমাপ্ত